# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 19-08 -2025
**Time :** 17-15 HRS

***Assamese Evening Bulletin***
**-------------------**

বিটিচি পৰিষদীয় নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলসমূহে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কোকৰাঝাৰ জিলাৰ কচুগাঁও আৰু গোসাইগাঁৱত দুখনকৈ বিজয় সংকল্প সভাত অংশগ্ৰহণ কৰে। বিটিচি পৰিষদীয় নিৰ্বাচনত জয়ৰ লক্ষ্যৰে সভা দুখনত অংশগ্ৰহণ কৰি ড০ শৰ্মাই দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত বিনিময় কৰে। বি টি আৰ বাসীৰ অভাৱ-অভিযোগ, দিহা-পৰামৰ্শ আদি সাৰোগত কৰিবলৈয়ে এই সভা সমূহৰ আয়োজন কৰা হৈছে বুলি মন্তব্য কৰি জ্যেষ্ঠ বিজেপি নেতাগৰাকীয়ে কয়, যে বিগত সময়চোৱাত বিটিআৰৰ ৰূপান্তৰৰ যাত্ৰা সাম্প্ৰতিক সময়ত উন্নয়নৰ আটাইতকৈ ইতিবাচক যাত্ৰা।

ইফালে,বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদৰ বিধানসভা কাৰ্যালয়ত আজি পৰিষদীয় বিধায়িনী কাৰ্যবিধি আৰু নিয়মাৱলী আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। বি টি চিৰ বিধানসভাৰ অধ্যক্ষ কাতিৰাম বড়ো, উপাধ্যক্ষ অবিৰাম মহানায়ক আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীৰ উপস্থিতিত ইংৰাজী আৰু বড়ো ভাষাত এই কাৰ্যবিধি উন্মোচন কৰা হয়।

০০০

বি টি আৰৰ মুখ্য কাৰ্যবাহী প্ৰমোদ বড়োৱে বাক্সা জিলাৰ বৰমাত আজি শৰণীয়া কছাৰী ছাত্ৰ সন্থাৰ কাৰ্যালয়ৰ আধাৰশিলা স্থাপন  কৰে। বি টি আৰত শান্তি আৰু সম্প্ৰীতিৰ পৰিবেশ অক্ষুণ্ণ ৰখাৰ বাবে বড়োলেণ্ড ক্ষেত্ৰীয় পৰিষদে সৰ্বতোপ্ৰকাৰে চেষ্টা অব্যাহত ৰাখিছে বুলি মন্তব্য কৰি শ্ৰীবড়োৱে কয়, যে বড়োলেণ্ডত শান্তিৰ পৰিবেশ স্থাপন কৰাত অঞ্চলটোৰ উন্নয়নৰ বাট প্ৰশস্ত হৈছে। আজিৰ অনুষ্ঠানত কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্মকে ধৰি ভালে  কেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০

বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতি বীনেশ্বৰ ব্ৰহ্মৰ ২৫ সংখ্যক মৃত্যু বাৰ্ষিকী উপলক্ষে আজি কোকৰাঝাৰৰ চান্দামাৰীত থকা ব্ৰহ্মৰ সমাধিস্থলীত বিশেষ অনুষ্ঠানৰ আয়োজন কৰা হয়। বড়ো সাহিত্য সভাই বীনেশ্বৰ ব্ৰহ্ম দাতব্য ন্যাসৰ সহযোগত আয়োজন কৰা এই অনুষ্ঠানত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সুৰথ নাৰ্জাৰীয়ে সভাৰ পতাকা অৰ্ধ উত্তোলন কৰাৰ লগতে ব্ৰহ্মৰ স্মৃতিত পুষ্পাৰ্ঘ্য তৰ্পন কৰে। এই উপলক্ষে শান্তিৰ প্ৰতীক বগা পাৰ চৰাই উৰুৱাই দিয়া হয়। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি আয়োজিত কাৰ্যসূচীত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি বিধায়িনী সভাৰ অধ্যক্ষ কাতিৰাম বড়ো,  বিধায়ক লৰেন্স ইছলাৰীকে ধৰি কেইবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে। অনুষ্ঠানত দিয়া ভাষণত মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই বীনেশ্বৰ ব্ৰহ্মৰ সাহিত্যিক অৱদানৰ কথা সোঁৱৰণ কৰাৰ লগতে তেওঁক এগৰাকী ভৱিষ্যদৰ্শী নেতা বুলিও অভিহিত কৰে। আজিৰ অনুষ্ঠানত এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰা হয়। উল্লেখযোগ্য যে ২০০০ চনত সশস্ত্ৰ উগ্ৰপন্থীয়ে বাসগৃহত কৰা আক্ৰমণত বড়ো সাহিত্য সভাৰ প্ৰাক্তন সভাপতিগৰাকীৰ মৃত্যু হৈছিল।

০০০

গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ৰোগীৰ আত্মীয়ৰ পৰা ধন দাবী কৰা ঘটনা সন্দৰ্ভত ভঙাগড় আৰক্ষীয়ে আজি হাস্পতালখনৰ ১১ জন ঠিকাভিত্তিক কৰ্মচাৰীক গ্ৰেপ্তাৰ কৰিছে।  হাস্পতালখনৰ কালি এটি

নৱজাতকৰ মৃত্যুৰ ঘটনাৰ বুজ লবলৈ যোৱাৰ সময়ত যোৱা নিশা মুখ্যমন্ত্রী ডং হিমন্ত বিশ্ব শর্মাক একাংশ ৰোগীৰ আত্মীয়ই হাস্পতালৰ কর্মচাৰীয়ে ধন দাবী কৰা বুলি অভিযোগ দাখিল কৰিছিল। মুখ্যমন্ত্রীয়ে লগে লগে এই বিষয়টোৰ তদন্তৰ নির্দেশ দিয়ে। এই অনুসৰি আজি ভঙাগড় আৰক্ষীয়ে অভিযান চলাই ১১ জন কর্মচাৰীক গ্রেপ্তাৰ কৰে।

000

তামুলপুৰ জিলাত শ্ৰীমন্ত শংকৰদেৱ ৰাজহুৱা প্ৰেক্ষাগৃহত আজি বিটিচিৰ নৱ নিযুক্ত বন বিষয়া আৰু বনকৰ্মীসকলক নিযুক্তিপত্ৰ প্ৰদান কৰা হয়। বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৱে ৮৪ গৰাকী বন বিষয়া আৰু ৩৩০ গৰাকী বনকৰ্মীক আনুষ্ঠানিকভাৱে নিযুক্তিপত্ৰ প্ৰদান কৰে। অনুষ্ঠানত তামুলপুৰৰ বিধায়ক জলেন দৈমাৰী, বন বিভাগৰ মুখ্য বন সংৰক্ষক সুমন মহাপাত্ৰ, বন বিভাগৰ সঞ্চালক শ্ৰীৰমেশৰ লগতে কেইবাগৰাকীও বন বিষয়া উপস্থিত থাকে। নিযুক্তি পত্ৰ বিতৰণ কৰি শ্ৰীবড়োৱে সকলোকে নিষ্ঠা সহকাৰে কাম কৰি বিটিআৰৰ জীৱ জন্তুৰ লগতে বন সংৰক্ষণ কৰিবলৈ আহ্বান জনায়।

000

ৰাজ্যত শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত একাংশ প্ৰাৰ্থীয়ে ভূৱা প্ৰমাণ পত্ৰ দাখিল কৰি চাকৰি লাভ কৰাৰ চেষ্টা চলোৱাৰ অভিযোগ সন্দৰ্ভত আজি অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাৰ এটা দলে নগাঁৱত তদন্ত কৰে। নগাওঁ সংমণ্ডলৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয়ত উপস্থিত হৈ তদন্তকাৰী দলটোৱে স্নাতক আৰু স্নাতকোত্তৰ শিক্ষকৰ পদৰ বাবে আবেদন কৰা একাংশ প্ৰাৰ্থীয়ে জমা দিয়া নথি পত্ৰ পৰীক্ষা কৰে। উল্লেখযোগ্য যে একাংশ প্ৰাৰ্থীয়ে মধ্য প্ৰদেশৰ এখন বিশ্ববিদ্যালয়ৰ পৰা ভূৱা প্ৰমাণপত্ৰ দাখিল কৰাৰ অভিযোগ উঠিছিল। অসমৰ ৫ খন জিলাৰ ৩১ গৰাকী প্ৰাৰ্থীৰ বিৰুদ্ধে এই অভিযোগ উত্থাপিত হোৱাৰ পিছত ৰাজ্য চৰকাৰে অসম আৰক্ষীৰ অপৰাধ অনুসন্ধান শাখাক ইয়াৰ তদন্তৰ দায়িত্ব অৰ্পন কৰিছিল। তদন্তকাৰী দলটোৱে নগাওঁৰ উপৰি শোণিতপুৰ, হোজাই আৰু বিশ্বনাথ জিলাত এনে ধৰণৰ অনিয়ম সংঘটিত হোৱা বুলি সন্দেহ কৰিছে।

000

ঃঃ সমাপ্ত ঃঃ

ঃঃ ঃঃ ঃঃ ঃঃ ঃঃ